# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
**-----------------------**

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২ হাজাৰ ৪৮১ কোটি টকা ব্যয়ৰে প্ৰাকৃতিক কৃষিৰ বাবে ৰাষ্ট্ৰীয় অভিযান ৰূপায়ণত অনুমোদন জনাইছে। নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই বিষয়ে প্ৰকাশ কৰে। এই অভিযান গাঁও পঞ্চায়তসমূহৰ ১৫ হাজাৰটা গোটক সামৰি ৰূপায়ণ কৰা হ'ব আৰু ইয়াৰ দ্বাৰা কৃষকে প্ৰাকৃতিকভাৱে উৎপাদিত সামগ্ৰীৰ উপযুক্ত বজাৰ আৰু ব্ৰেণ্ডিং লাভ কৰিব। মন্ত্ৰীসভাই লগতে **এখন ৰাষ্ট্ৰ, এবাৰ অংশগ্ৰহণ** শীৰ্ষক কেন্দ্ৰীয় আঁচনিত অনুমোদন জনাইছে। ইয়াৰ দ্বাৰা ডিজিটেল ব্যৱস্থাৰে আৰু সহজে নিৰ্ধাৰিত মূল্যৰ বিনিয়মত দেশৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত গৱেষণা গ্ৰন্থসমূহ একত্ৰে যিকোনা অঞ্চলৰ পৰা লাভ কৰিব পৰা যাব। ইয়াৰ বাবে ৬ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব।

০০০০০

ৰাজ্যখনত অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰাৰ বাবে কঠোৰ স্থিতি গ্ৰহণ কৰিবলৈ আবকাৰী বিভাগক বিভাগীয় মন্ত্ৰী কেশৱ মহন্তই নিৰ্দেশ দিছে। তেওঁ লগতে সুৰাৰ বিপণীসমূহত কঠোৰভাৱে আবকাৰী নীতি বলবৎ কৰাৰো নিৰ্দেশ দিয়ে। গুৱাহাটীত আজি বিভাগটোৰ কাম-কাজ পৰ্যালোচনা কৰাৰ বাবে অনুষ্ঠিত এখন বৈঠকত মন্ত্ৰী মহন্তই এই নিৰ্দেশ দিয়ে। বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলাসমূহত অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰাৰ লগতে বহিঃৰাজ্যৰ পৰা সুৰাৰ চোৰাং সৰবৰাহ ৰোধ কৰাৰ ক্ষেত্ৰত আপোচ নকৰিবলৈ জিলা আবকাৰী বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি কোনো সুৰাৰ বিপণীয়ে যাতে আবকাৰী নিষেধাজ্ঞা উলংঘা নকৰে এইক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ মন্ত্ৰীগৰাকীয়ে বিভাগীয় শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিছে। আজি বৈঠকত সুশৃংখলিত আবকাৰী ৰাজহ সংগ্ৰহ, পথ সুৰক্ষাৰ সৈতে জড়িত আবকাৰী নিৰ্দেশনাৰ কাৰ্য ৰূপায়ণকে ধৰি আনুষংগিক বিষয়সমূহ বিস্তৃতভাৱে আলোচনা কৰা হয়।

০০০০০

অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল, সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ অধ্যক্ষ ৰাণাপ্ৰতাপ কলিতাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনৈতিক বিজ্ঞান আৰু আইন বিভাগৰ বিশিষ্ট অতিথি অধ্যাপক হিচাপে মনোনীত কৰা হৈছে। প্ৰতিৰক্ষা ক্ষেত্ৰত উল্লেখনীয় কৃতিত্বৰ বাবে শ্ৰীকলিতাক ২০২৪-২৫ বিদ্যায়তনিক বৰ্ষৰ বাবে এই পদত মনোনীত কৰা হৈছে। এই অনুসৰি অতিথি অধ্যাপক হিচাপে তেওঁক শিক্ষাদান আৰু গৱেষণাৰ ক্ষেত্ৰত সহযোগিতাৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব।

০০০০০

শ্ৰীলংকাৰ ৰাজধানী কলম্বোস্থিত ভাৰতীয় উচ্চ আয়োগৰ স্বামী বিবেকানন্দ সংস্কৃতি কেন্দ্ৰই লাচিত দিৱস উদযাপন কৰে। কেন্দ্ৰৰ সঞ্চালক অংকুৰণ দত্তই ভাৰতৰ ইতিহাসত এই দিনটোৰ গুৰুত্ব সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। কলম্বো বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক বিভাগৰ মুৰব্বী অধ্যাপক চামিণ্ডা পদ্মকুমাৰাই

আমন্ত্ৰিত অতিথিৰ বক্তৃতা প্ৰদান কৰি অসমৰ স্বাধীনতা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত লাচিত বৰফুকনে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকা বৰ্ণনা কৰে। কলম্বোৰ ভাৰতীয় উচ্চ আয়োগৰ বিষয়াসকলে লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। এই দিৱস উপলক্ষে পাৰ্থ সাৰথি মহন্ত পৰিচালিত **লাচিত দ্যা ৱাৰিয়ৰ** শীৰ্ষক এখন এনিমেটেড চুটি ছবি প্ৰদৰ্শন কৰা হয়।

০০০০০

কটন বিশ্ববিদ্যালয় গৱেষক সংস্থাই অসম মহাবিদ্যালয় প্ৰাদেশীকৃত কৰ্মচাৰী নিয়মাৱলী ২০২৪ৰ খচৰা বাতিল কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে। কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত সংস্থাৰ নেতৃবৃন্দই কয়, যে বৰ্তমানৰ খচৰাখনে গৱেষকসকলৰ পৰিশ্ৰমক অমান্য কৰিছে। গৱেষকসকলক পুনৰ বিষয় বৰ্হিঃভূত পৰীক্ষাত বহিবলৈ দিয়াটো অন্যায় বুলি সংস্থাটোৱে মন্তব্য কৰে। খচৰাখনে ৰাষ্ট্ৰীয় শিক্ষা নীতিক উপেক্ষা কৰে বুলিও সংস্থাটোৱে অসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে উচ্চ শিক্ষা বিভাগে অলপতে প্ৰকাশ কৰা এই নিয়মাৱলী অনুযায়ী মহাবিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়-বিষয়ক জ্ঞানৰ পৰিৱৰ্তে সাধাৰণ জ্ঞানৰ পৰীক্ষাৰ ভিত্তিত মহাবিদ্যালয়ত নিযুক্তি দিয়াৰ নতুন নিয়ম প্ৰস্তাৱ কৰিছিল।

০০০০০

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ বৰবিল গাঁৱত ৬ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ হ'বলগীয়া জলসিঞ্চন আঁচনিৰ কামৰ আজি আধাৰশিলা স্থাপন কৰা হয়। সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে। অঞ্চলটোৰ কৃষক ৰাইজৰ সুবিধাৰ বাবে নিৰ্মাণ হ'বলগীয়া আঁচনিখনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু বিভাগীয় বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

মৰিগাঁও জিলাৰ মায়ং থানাৰ অন্তৰ্গত বৰদলনি গাঁৱত নাবালিকা ধৰ্ষণৰ এজন অভিযুক্তক আজি জিলা পকচ' আদালতে যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। পদুম দাস নামৰ অভিযুক্তজনে এবছৰ পূৰ্বে এই ঘটনা সংঘটিত কৰা বুলি মায়ং থানাত ৰুজু হোৱা গোচৰৰ ৰায় প্ৰদান কৰি আদালতে এই নিৰ্দেশ দিয়ে। আদালতে লগতে অভিযুক্তজনক ২০ হাজাৰ টকাৰ জৰিমনাও বিহিছে।

০০০০০

ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি শিৱসাগৰৰ জয়সাগৰত অৱস্থিত **অৰ্জুন** ভোগেশ্বৰ বৰুৱাৰ বাসগৃহত উপস্থিত হৈ বৰ্ষীয়ান ক্ৰীড়াবিদজনৰ সৈতে মত বিনিময় কৰে। ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন এথলিটগৰাকীৰ সৈতে ৰাজ্যখনৰ ক্ৰীড়াৰ উন্নয়নৰ বিষয়েও আলোচনাত মিলিত হয়। এই সৌজন্যমূলক সাক্ষাতৰ সময়ত ১৯৬৬ বেংকক এছিয়ান গেমছত সোণৰ পদকজয়ী বৰুৱাক ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। শিৱসাগৰত অহা ২৮ আৰু ২৯ ডিচেম্বৰত হ'বলগীয়া সদৌ অসম ৰছী টনা প্ৰতিযোগিতাৰ বাবে প্ৰাক্তন খেলুৱৈগৰাকীক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। প্ৰবীন খেলুৱৈগৰাকীয়ে ৰাজ্য চৰকাৰে লোৱা এই পদক্ষেপত যথেষ্ট সুখী বুলি মন্তব্য কৰে। ৰাজ্য চৰকাৰে ক্ৰীড়াক্ষেত্ৰত আন্তঃগাঁথনি উন্নত কৰিলে সুদক্ষ খেলুৱৈ সৃষ্টি কৰিব পৰা যাব বুলি শ্ৰীবৰুৱাই পৰামৰ্শ আগবঢ়ায়।

০০০০০

সমাপ্ত